অসম বিধান সভা

তৰা চিহ্নীত প্ৰশ্ন নং : ১০৫

উত্তৰ দিবলগীয়া তাৰিখ : ১৩/০৭/২০২৬

বিষয় : **পথ নিৰ্মাণ**

বিধায়ক : ড° জয় প্ৰকাশ দাস :

**মাননীয় লোক নিৰ্মাণ (পথ সমূহ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

(ক) কমলাবৰীয়া পথটো (K. B. Road) মাজুলীৰ লগত সংলগ্ন কৰাৰ চৰকাৰৰ হাতত কিবা পৰিকল্পনা আছে নেকি ?

(খ) উক্ত K. B. Road টো দুইলেনযুক্ত বা তাতোকৈ অধিক লেনযুক্ত কৰাৰ কিবা পৰিকল্পনা আছে নেকি ? সবিশেষ জনাব।

(গ) নাওবৈছা সমষ্টিৰ একমাত্ৰ ৩০ খন বিচনাযুক্ত চিকিৎসালয়লৈ যোৱা পথটো জৰুৰীভাৱে নিৰ্মাণৰ পৰিকল্পনা আছে নেকি ?

(ঘ) ৰঙানদীৰ দুয়োপাৰে পোতাবিলৰ পৰা বকনীয়ালৈ আৰু খাৰকাটি দলঙৰ পৰা পকাদল নগৰ গাঁও হৈ চেঙামাৰীলৈ মথাউৰিৰ ওপৰত পথ নিৰ্মাণৰ কিবা পৰিকল্পনা আছে নেকি ? জনাব ।

(ঙ) খাৰকাটি দলঙৰ পৰা চেঙামাৰীলৈ পকীপথ নিৰ্মাণৰ কাম-কাজ কিমানদূৰ আগবাঢ়িছে বিষদভাৱে জনাব।

(চ) নাওবৈছা সমষ্টিৰ ন-আলি বালিগাঁৰৰ পৰা দফলাকটালৈ আৰু বালিটিকাৰ পৰা বৰচলা হৈ পানধোৱা লৈ এই পথছোৱা অতি জৰাজীৰ্ণ, এই পথ নিৰ্মাণৰ কিবা পৰিকল্পনা আছে নেকি ? জনাব।

::উত্তৰ::

**মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মহোদয়ে উত্তৰ দিব :**

(ক) কমলাবৰীয়া পথটো (K.B Road) ৰাষ্ট্ৰীয় ঘাইপথলৈ উন্নীত কৰাৰ বাবে পথ পৰিবহণ আৰু ৰাষ্ট্ৰীয় ঘাইপথ মন্ত্ৰালয়ৰ পৰা In Principle Approval হৈছে আৰু ইয়াৰ DPR আৰু ভূমি অধিগ্ৰহণৰ Estimate যথাক্ৰমে DPR Consultant আৰু লক্ষীমপুৰ আৰু মাজুলী জিলা আয়ুক্তৰ পৰা লোকনিৰ্মাণ (ৰাষ্ট্ৰীয় ঘাইপথ)ৰ মুখ্য অভিযন্তাৰ দ্বাৰা সংগ্ৰহ কৰা হৈছে, কিন্তু বিষয়টো সেই পৰ্য্যায়তে আছে । আনহাতে, ৰাজ্যিক কোনো আঁচনিৰ অধীনতো পথটোৰ উন্নীতকৰণৰ/বহলীকৰণৰ কোনো কাম হাতত লোৱা হোৱা নাই । পথটোক ৰাষ্ট্ৰীয় ঘাইপথ 715K ৰ সম্প্ৰসাৰিত অংশ হিচাবে ঘোষনা কৰিবলৈ অনুৰোধ পত্ৰ ভাৰত চৰকাৰৰ পথ পৰিবহণ আৰু ৰাষ্ট্ৰীয় ঘাইপথ মন্ত্ৰালয়লৈ (MoRTH) প্ৰেৰণ কৰা হৈছে ।

(খ) বৰ্তমানলৈ কোনো আঁচনি লোৱা হোৱা নাই ।

(গ) উক্ত পথটি বৰ্তমানলৈ কোনো আঁচনিৰ অধীনত অন্তৰ্ভুক্ত কৰা হোৱা নাই । ভৱিষ্যতে উক্ত পথটো উন্নয়নৰ অনুমোদনৰ বাবে Feasibility, Land availability, Fund availability, Priority, Environmental Clearance কাৰক সমূহ বিবেচনা কৰি অগ্ৰাধিকাৰ ভিত্তিত যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা হব ।

(ঘ) ৰঙানদীৰ পোত্তাবিলৰ পৰা বকনীয়ালৈ পথ নিৰ্মাণৰ আঁচনিৰ পৰিকল্পনা বৰ্তমান হাতত লোৱা হোৱা নাই ।

আনহাতে ৰঙানদীৰ বাওঁফালৰ মথাউৰি (Left Dyke) হিচাপে খাৰকাটি দলঙৰ পৰা চেঙামাৰীলৈ যোৱা বিত্তীয় বৰ্ষৰ শেষৰফালে মুঠ ৩.৫৩ কি:মি: দৈৰ্ঘ্যৰ উক্ত মথাউৰিটোৰ ওপৰত পথ পকীকৰণৰ উদ্দেশ্য হাতত ৰাখি প্ৰায় ৭ কোটি টকাৰ খচৰা প্ৰাক্কলন প্ৰস্তুত কৰি জলসম্পদ বিভাগৰ সৈতে কাৰিকৰী বিশেষ কৌশলগত অধ্যয়নৰ প্ৰচেষ্টা চলোৱা হৈছিল যদিও সময়ৰ নাটনিৰ বাবে উক্ত বিত্তীয় বৰ্ষত প্ৰাক্কলন প্ৰস্তুত কৰিব পৰা নহ'ল ।

চলিত বিত্তীয় বৰ্ষত মথাউৰি নিৰ্মাণৰ আঁচনিৰ অধীনত কাৰিকৰী বিশেষজ্ঞ কমিটি ও জলসম্পদ বিভাগৰ পৰামৰ্শ অনুযায়ী এই বিষয়ত সিদ্ধান্ত গ্ৰহণ কৰা হ'ব ।

(ঙ) 'ঘ'ত উল্লেখ কৰা হৈছে ।

(চ) নাওবৈচা সমষ্টিৰ ন-আলি বালি গাঁৰৰ পৰা দফলা কটালৈ সংযোগী পথটিৰ PMGSY-IV ৰ অধীনত প্ৰাকক্লন প্ৰস্তুত কৰা হৈছে । অৱশ্যে এতিয়ালৈকে অনুমোদন লোৱা হোৱা নাই ।

বালিটিকাৰ পৰা বৰচলা হৈ পানধোৱালৈ সংযোগী পথটি বৰ্তমানলৈ কোনো আঁচনিৰ অধীনত অন্তৰ্ভুক্ত কৰা হোৱা নাই যদিওঁ ভৱিষ্যতে উক্ত পথটো উন্নয়নৰ অনুমোদনৰ বাবে বিভাগীয় অগ্ৰাধিকাৰ, কাৰিকৰী সম্ভাব্যতা আৰু পুজিৰ উপলব্ধতাৰ অগ্ৰাধিকাৰ ভিত্তিত যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা হব ।

The reply uploaded in the portal

---ooo---